জাতিৰ সেৱাত উৎসৰ্গিত (৬১) বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

https://dainikasam.in

65 । ৬১ বছৰ । ৩৫৫ সংখ্যা, ১৭ শাওণ, সোমবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily | VOL. 61 NO. 355 | DIBRUGARH, MONDAY, AUGUST 3, 2026 | পৃষ্ঠা ১৬ (Pages 16)

### ডঃ শশীকান্ত শইকীয়াৰ গ্ৰন্থ উন্মোচন কৰি প্ৰাক্তন উপাচাৰ্য ডঃ কন্দৰ্প কুমাৰ ডেকা

## ভাল সাহিত্য সৃষ্টিৰ বাবে সাধনা, গভীৰ অধ্যয়নৰ প্ৰয়োজন

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

**ডিব্ৰুগড়, ২ আগষ্টঃ** 'ভাল সাহিত্য সৃষ্টিৰ বাবে বহু সাধনা আৰু গভীৰ অধ্যয়নৰ প্ৰয়োজন। গভীৰ অধ্যয়ন নোহোৱাকৈ কোনোধৰণৰ সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে। সাহিত্যই জাতিৰ ভৱিষ্যৎ নিৰ্ণয় কৰে।'—ডিব্ৰুগড় বিশ্ববিদ্যালয়, শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব উপাচাৰ্য ডঃ কন্দৰ্প কুমাৰ ডেকাই এই মন্তব্য কৰে। ডিব্ৰুগড় জিলা ভাৰতীয় ইতিহাস সংকলন সমিতি আৰু অসম সাহিত্য সভা ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) শতদল শাখাৰ উদ্যোগত ৩১ জুলাইত অনুষ্ঠিত অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰী বন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াৰ 'চেতনাহীন জাতিৰ ভৱিষ্যৎ' গ্ৰন্থখন উন্মোচন কৰি ডঃ ডেকাই কয় যে বিশ্লেষণাত্মক লিখনি সকলোৱে লিখিব নোৱাৰে, এই লিখনিৰ বাবে বিষয়বস্তু ভালদৰে চালি-জাৰি চাই, তাক অধ্যয়ন কৰি এটা সিদ্ধান্তত উপনীত হৈহে এটা লিখনি প্ৰস্তুত কৰিব পাৰি। সমাজতত্ত্ব বিভাগৰ অধ্যাপিকা সুজাতা সোণোৱালে আঁত ধৰা সভাত তেওঁ কয়— নিয়মিত সাহিত্য সৃষ্টিৰ বাবে বিষয়বস্তু বাছনি কৰাটো অতি গুৰুত্বপূৰ্ণ। সমাজতত্ত্ব বিভাগৰ ছাত্ৰী ৰাজমী মৰাণৰ বৰগীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটিত ডঃ ডেকাই কয় যে চেতনাহীন এটা জাতিৰ ভৱিষ্যৎ কেতিয়াও সুন্দৰ হ'ব নোৱাৰে। চেতনাহীন এটা জাতি ভৱিষ্যতৰ কৰাল গহ্বৰত সোমাই নিঃশেষ হোৱাটো নিশ্চিত। নৱপ্ৰজন্মৰ যদি এতিয়াই চেতনা নাথাকে, তেন্তে তেওঁলোকৰ ভৱিষ্যতটো অধিক বিপদগ্ৰস্ত হ'ব আৰু বিষাক্ত হ'ব। অধ্যক্ষ ডঃ শইকীয়াৰ 'কেনেকৈ নিঃশেষ হয় এটা জাতি (পৰিৱৰ্ধিত সংস্কৰণ)' গ্ৰন্থখন উন্মোচন কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক, কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ডঃ লখিৰাম শইকীয়াই কয় যে অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই সময়ৰ লগত সংগতি ৰাখি জাতিক দিশ দেখুৱাব পৰাকৈ অনেক দৃষ্টিভংগীৰে সাহিত্য সৃষ্টি কৰি আহিছে। অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াৰ তৃতীয়খন গ্ৰন্থ 'সপোন কেনেকৈ



দিঠক হয়' উন্মোচন কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক তথা কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য ডঃ গোপাল চন্দ্ৰ হাজৰিকাই কয় যে এই গ্ৰন্থখনে নতুন প্ৰজন্মক সপোন দেখিবলৈ অভ্যাস কৰাৰ লগতে সপোন কেনেকৈ দিঠকত পৰিণত হয়, সেই বিষয়ে সুন্দৰ পথ দেখুওৱাত সফল হ'ব। অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী, শিক্ষা শিৰোমণি জ্যোতিপ্ৰসাদ কানৈ, প্ৰাক্তন অধ্যাপিকা ডঃ চুলতানা হাজৰিকা, প্ৰাক্তন মহিলা আয়োগৰ অধ্যক্ষা ডাঃ হেমপ্ৰভা বৰঠাকুৰ, উপাধ্যক্ষ ডঃ পাৰ্থ গাংগুলী, ছাত্ৰী কাশ্যপী দুৱৰা, অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াৰ সহধৰ্মিণী ৰিজু গগৈকে ধৰি আন কেইবাগৰাকীয়েও অধ্যক্ষ ডঃ শইকীয়াৰ কৰ্মৰাজি বিস্তৃত ৰূপত ব্যাখ্যা আগবঢ়ায়।